প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

**দুদিনীয়া নামনি অসম ভ্ৰমণৰত মন্ত্ৰী দলে**
**ধুবুৰী জিলা ভ্ৰমণৰ পিছতে আজি দক্ষিণ শালমাৰা-মানকাচৰ জিলা পৰিষদৰ কাৰ্যালয় ভৱনৰ আধাৰশিলা স্থাপন**

# “পিএমএৱাই-জিৰ অতিৰিক্ত তালিকাত নাম থকা দুখীয়া লোকসকলে আধাৰ কাৰ্ড পোৱাটো নিশ্চিত কৰা হ’ব”—মন্ত্ৰী নৱ দলে

**গুৱাহাটী ৬ ছেপ্টেম্বৰ ঃ** দুদিনীয়া নামনি অসম ভ্ৰমণ সূচীৰ দ্বিতীয় দিনা আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলেয়ে দক্ষিণ শালমাৰা-মানকাচৰ জিলাত উপস্থিত হৈ জিলা পৰিষদৰ নতুনকৈ নিৰ্মাণ কৰিবলৈ লোৱা কাৰ্যলায় ভৱনটিৰ আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপনৰ সময়ত মানকাচৰ বিধান সভা সমষ্টিৰ বিধায়ক ডাঃ মতিউৰ ৰহমান মণ্ডল, বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কা, আয়ুক্ত হেমেন দাস; জিলা উপায়ুক্ত গুৰদ্বীপ সিং আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অতিৰিক্ত মিছন সঞ্চালক ক্ষীতিশ পেগুও তেওঁৰ লগত উপস্থিত থাকে।

আধাৰশিলা স্থাপন উপলক্ষে আয়োজিত সভাত উপস্থিত থকা বিভাগৰ ক্ষেত্ৰীয় বিষয়া-কৰ্মচাৰী তথা উপস্থিত ৰাইজক উদ্দেশ্যি দিয়া ভাষণ প্ৰসঙ্গত মন্ত্ৰীগৰাকীয়ে উপস্থিত সকলোকে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিভিন্ন আঁচনিৰ সুবিধা উপযুক্ত সকলো লোকে লাভ কৰাৰ ক্ষেত্ৰত সমূহীয়া প্ৰচেষ্টা ল’বৰ বাবে আহ্বান জনায়।

প্ৰসঙ্গ ক্ৰমে তেওঁ ৭৫ হাজাৰ টকীয়া আই এ ৱাই ঘৰৰ ঠাইত ১লাখ ৩০ হাজাৰ টকীয়া আৱাস গৃহৰ ব্যৱস্থা কৰি গৃহহীন তথা কেচা বা জৰাজীৰ্ণ ঘৰত বাস কৰা দেশৰ প্ৰতিটো দুখীয়া পৰিয়ালসকলক ২০২২ চনৰ ভিতৰত একোটি গৃহ প্ৰদানৰ বাবে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে নিৰ্দ্ধাৰণ কৰা লক্ষ্যৰ কথা দোহাৰি অসমৰ এনে প্ৰতিটো পৰিয়ালে এই আৱাস গৃহ লাভ কৰাৰ প্ৰতি বৰ্তমানৰ ৰাজ্য চৰকাৰ সদা সচেতন আৰু দায়বদ্ধ বুলি তেওঁ উল্লেখ কৰে। অতিৰিক্ত তালিকাত নাম থকাসকলে আধাৰ কাৰ্ড নাপাব বুলি আতংকিত হোৱাৰ প্ৰয়োজন নাই বুলি উল্লেখ কৰি তেওঁ কয় যে ইতিমধ্যে জিলা উপায়ুক্তসকলক এই ক্ষেত্ৰত ব্যৱস্থা ল’বলৈ নিৰ্দেশ দিয়া হৈছে আৰু প্ৰতিখন পঞ্চায়তে আধাৰ কেন্দ্ৰ স্থাপনৰ দিহা কৰা হৈছে।

আনহাতে শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আঁচনি আৰু ইন্দিৰামিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত উপযুক্ত সকলোকে পেন্সন লাভৰ বাবে আগবাঢ়ি আহিবলৈ আৰু জনপ্ৰতিনিধিকে তৃণমূল পৰ্যায়ৰ বিভাগীয় লোকসলক এই ক্ষেত্ৰত সহায় কৰিবলৈ আহ্বান জনায় যাতে চৰকাৰে আন্তৰিকতাৰে গ্ৰহণ কৰা এই আঁচনিৰ সুফল ৰাইজে লাভ কৰিব পাৰে।

ইয়াৰ পিছতে মন্ত্ৰীগৰাকীয়ে জিলা উপায়ুক্তৰ সভাকক্ষত এখন পৰ্যালোচনা সভাত অংশ লৈ জিলাখনত বিভাগৰ অধীনত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনি সম্পৰ্কত বুজ লয়।

*এমআৰডি/০৬-০৯-২০২০*


অনুষ্ঠান
Deputy Commissioner,
South Salmara Mankachar
Hon'ble Minister
P & RD Assam.




ক্ষিণ শালমাৰা মানকাচৰ জিলা পৰিষদৰ স্থায়ী কাৰ্য্যালয় ভৱনৰ
আধাৰশিলা স্থাপন অনুষ্ঠান
শ্ৰীযুত
মাননীয় মন্ত্ৰী
Hon'ble MLA
21- Mankachar LAC
Deputy Commissioner,
South Salmara Mankachar
Hon'ble Minister


দক্ষিণ শালমাৰা মানকাচৰ জিলা পৰিষদৰ স্থায়ী কাৰ্য্যালয় ভৱনৰ
আধাৰশিলা স্থাপন অনুষ্ঠান
Principal Secy.
P & RD, Assam.
Commissioner,
P & RD,Assam.


অসম চৰকাৰ
আজি ইং ০৬-০৯-২০২০ তাৰিখে
অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ
মাননীয় মন্ত্ৰী শ্ৰীযুত নব কুমাৰ দলে
জাতনীয়াহ মানকাচৰ বিধানসভা সমষ্টিৰ মাননীয় বিধায়ক
ডাঃ মতিউৰ ৰহমান মণ্ডল, বিভাগৰ
মাননীয় প্ৰধান সচিব ডাঃ জে বি এক্কা আৰু মাননীয়
আযুক্ত শ্ৰীযুত হেমেন দাসৰ উপস্থিতিত
দক্ষিণ শালমাৰা-মানকাচৰ জিলা পৰিষদৰ কাৰ্যালয়
ভৱনৰ আধাৰশিলা স্থাপন কৰে।


অসম চৰকাৰ
আজি ইং ০৬-০৯-২০২০ তাৰিখে
অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ
মাননীয় মন্ত্ৰী শ্ৰীযুত নৱ কুমাৰ দলে
মানকাচৰ বিধানসভা সমষ্টিৰ মাননীয় বিধায়ক
ডাঃ মতিউৰ ৰহমান মণ্ডল, বিভাগৰ
মাননীয় প্ৰধান সচিব ডাঃ জে বি এক্কা আৰু মাননীয়
আযুক্ত শ্ৰীযুত হেমেন দাসৰ উপস্থিতিত
দক্ষিণ শালমাৰা-মানকাচৰ জিলা পৰিষদৰ কাৰ্যালয়
ভৱনৰ আধাৰশিলা স্থাপন কৰে।